**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৩৩/২০১৯**

## শোণিতপুৰত ৩ ডিচেম্বৰৰ পৰা ইনটেনছিফাইড মিছন ইন্দ্ৰধনু ২.০ কাৰ্যসূচী আৰাম্ভ

**তেজপুৰ ৩০ নবেম্বৰ ২০১৯ :-** শোণিতপুৰ জিলাত নিয়মীয়া টীকাকৰণৰ পৰা বাদ পৰি ৰোৱা দুবছৰ পৰ্যন্ত শিশু আৰু গৰ্ভৱতী মহিলাৰ সম্পূৰ্ণ টীকাকৰণ কৰাৰ উদ্দেশ্যে অলপতে জিলা উপায়ুক্তৰ সন্মিলনী কক্ষত জিলা পৰ্যায়ৰ টাস্ক ফৰ্চ সমিতিৰ এখন সভা অনুস্থিত হয়। সমগ্ৰ দেশৰ লগতে অহা ৩ ডিচেম্বৰ, ২০১৯ তাৰিখৰ পৰা আৰম্ভ হ'ব লগা এই 'ইনটেনছিফাইড মিছন ইন্দ্ৰধনু ২.০' কাৰ্যসূচীৰ আওতাত জিলাখনত যাতে এশ শতাংশ সফল হয় তাৰ ওপৰত ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিংৰ সভাপতিত্বত অনুস্থিত সভাত উপায়ুক্ত গৰাকীয়ে কাৰ্যসূচী সফল ৰূপায়নৰ বাবে ভালেমান পৰমৰ্শ আগবঢ়োৱাৰ লগতে নিয়মীয়া টীকাকৰণৰ পৰা সম্পূৰ্ণৰূপে বাদ পৰি ৰোৱা দুবছৰ বয়স পৰ্যন্ত শিশু আৰু গৰ্ভৱতী মহিলা চিনাক্ত কৰি টীকাকৰণ সুনিশ্চিত কৰিবলৈ স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰী সকলৰ প্ৰতি আহবান জনায়। তদুপৰি উপায়ুক্ত গৰাকীয়ে বিশেষ ভাবে চাহ বাগান এলেকাত আৰু জিলাখনৰ অতি ভিতৰুৱা অঞ্চল সমূহত বিশেষ মনোনিবেশ কৰিবলৈ আহবান জনায়। জিলা পৰ্যায়ৰ ইমোনাইজেশ্বন বিষয়া ডাঃ বিমান শৰ্মাই আশাকৰ্মী আৰু অংগণবাড়ী কৰ্মীৰ সহযোগত গ্ৰামাঞ্চল পৰ্যায়লৈ এক পৰিকল্পনা যুগুতোৱাৰ কথা অবগত কৰি এইক্ষেত্ৰত মিছন ইন্দ্ৰধনু কাৰ্যসূচী সম্পূৰ্ণৰূপে সফল কৰিব পৰা যাব বুলি উল্লেখ কৰে। সভাত স্বাস্থ্য বিভাগৰ অতিৰিক্ত মুখ্য স্বাস্থ্য ও চিকিৎসা বিষয়া ডাঃ ফনি পাঠক, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কৃষ্ণা কেমপ্ৰাই, মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া সকল, খণ্ড পৰ্যায়ৰ স্বাস্থ্য কেন্দ্ৰৰ বিষয়া সংশ্লিষ্ট বিভাগীয় মূৰব্বী বিষয়া সকলৰ লগতে স্বস্থ্য বিভাগৰ ভালেমান বিষয়া কৰ্মচাৰী উপস্থিত থাকে।